মোৰ কাৰণে আল্লাহে মোৰ উম্মতৰ অনিচ্ছাকৃত ভুল-ত্ৰুটি ক্ষমা কৰি দিছে আৰু (বান্দাৰ) সেই কৰ্ম(কো ক্ষমা কৰিছে) যিটো সি কৰিবলৈ বাধ্য হৈছে।

ইবনে আব্বাছ ৰাদ্বিয়াল্লাহু ‘আনহুমাৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "মোৰ কাৰণে আল্লাহে মোৰ উম্মতৰ অনিচ্ছাকৃত ভুল-ত্ৰুটি ক্ষমা কৰি দিছে আৰু (বান্দাৰ) সেই কৰ্ম(কো ক্ষমা কৰিছে) যিটো সি কৰিবলৈ বাধ্য হৈছে।"
[قال النووي: حديث حسن] [رواه ابن ماجه والبيهقي وغيرهما]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, মহান আল্লাহে এই উম্মতৰ তিনিটা অৱস্থাৰ ত্ৰুটিক ক্ষমা কৰিছে। প্ৰথমঃ অজানিতে হোৱা ভুল ত্ৰুটি। অৰ্থাৎ কোনো মুছলিমে এনেকুৱা কোনো কাম কৰি পেলাইছে, যিটো কৰিবলৈ তাৰ কোনো উদ্দেশ্য নাছিল। দ্বিতীয়ঃ পাহৰি কোনো ভুল কৰিছে। অৰ্থাৎ এনেকুৱা কোনো ভুল কাম কৰিছে, যিটো কৰাৰ সময়ত মনত নাছিল, তেনে অৱস্থাতো কোনো গুনাহ নহ'ব। তৃতীয়ঃ সামৰ্থ অনুযায়ী চেষ্টা কৰা সত্ত্বেও বলপূৰ্বকভাৱে কোনো কাম কৰিবলৈ বাধ্য হোৱা, এনেকৈ বাধ্য হৈ কোনো কাম কৰিলে তাৰ কোনো গুনাহ নহ'ব। ইয়াত লক্ষ্যণীয় বিষয়টো হৈছে এই যে, হাদীছৰ আলোচ্য বিষয় হৈছে— বান্দা আৰু তাৰ প্ৰতিপালকৰ মাজত কোনো নিষিদ্ধ কাম কৰি পেলোৱা। কিন্তু যদি কোনোবাই ভুলতে ফৰজ আমল পৰিত্যাগ কৰে, তেন্তে সেইটো মাফ নহয়। এইদৰে যদি তাৰ সেই কামৰ ফলত বেলেগ কাৰোবাৰ ক্ষতি হয়, তেন্তে সেইটোও মাফ নহয়। যেনে- যদি কোনোবাই ভুলতে কাৰোবাক হত্যা কৰে, তেন্তে তাৰ ওপৰত দিয়ত (বা ৰক্তপণ) আদায় দিয়াটো আৱশ্যক হ’ব; এইদৰে যদি কোনোবাই ভুলতে কাৰোবাৰ গাড়ীৰ ক্ষতি কৰিছে, তেন্তে সি তাৰ গাড়ীৰ ক্ষতিপূৰণ দিব লাগিব।

http://sunnah.global/hadeeth/as/show/4216